# Bilateral Meeting between Prime Minister and the Prime Minister of UK on the sidelines of COP26 in Glasgow

November 01, 2021

# গ্লাছগোত চিঅ'পি২৬ৰ কাষৰীয়াকৈ বৃটিছ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ দ্বিপাক্ষিক বৈঠক

**নৱেম্বৰ 01, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে পহিলা নৱেম্বৰত গ্লাছগোত চিঅ'পি ২৬ বিশ্ব নেতৃবৃন্দৰ শীৰ্ষ সন্মিলনৰ কাষৰীয়াকৈ বৃটিছ প্ৰধানমন্ত্ৰী মিঃ বৰিছ জনছনৰ সৈতে বৈঠক কৰিছে।

জলবায়ু পৰিৱৰ্তনৰ প্ৰভাববিলাক হ্ৰাস কৰা আৰু তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে সফল ভাৱে চিঅ'পি২৬ আয়োজনত মিঃ জনছনে নেতৃত্ব দিয়া বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁক অভিনন্দন জনাই। জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধত আৰ্থিক সাহায্যৰ ব্যৱস্থাপনা, প্ৰযুক্তি উদ্ভাৱন, পৰিবেশবান্ধব হাইড্ৰোজেনৰ ব্যৱহাৰ, আন্তৰ্জাতিক সৌৰ জোঁট আৰু চিডিআৰআইৰ দৰে যৌথ উদ্যোগত পুনৰ্নবীকৰণযোগ্যইন্ধনৰ ব্যৱহাৰৰ দৰে বিষয়ত বৃটেইনৰ সৈতে একেলগে কাম কৰাৰ বিষয়ে ভাৰতৰ অঙ্গীকাৰৰ কথা তেওঁ পুনৰ্ব্যক্ত কৰে।

ব্যৱসায় বাণিজ্য, অৰ্থনীতি, মানুহৰ মাজত যোগাযোগ, স্বাস্থ্য, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ দৰে বিভিন্ন বিষয়ত ২০৩০ চনৰ ভিতৰত যি ৰোডমেপ বাস্তবায়িত কৰাৰ পৰিকল্পনা কৰা হৈছিল, দুয়োজন নেতাই তাৰ পৰ্যালোচনা কৰে। মুক্ত বাণিজ্য চুক্তিক লৈ আলোচনা আৰম্ভ কৰাৰ বাবে যিবোৰ উদ্যোগ লোৱা হৈছে তাৰ বাবে বৰ্ধিত বাণিজ্যিক অংশিদাৰিত্বৰ বিষয়ে তেওঁলোকে সন্তোষ প্ৰকাশ কৰে।

উভয় নেতাই আফগানিস্তান, সন্ত্ৰাসবাদ মোকাবিলা, ভাৰত-প্ৰশান্ত মহাসাগৰ অঞ্চল, সৰবৰাহ শৃংখল শক্তিশালী কৰা আৰু কোভিড পৰৱৰ্তী সময়ত আন্তৰ্জাতিক অৰ্থনীতিৰ পুনৰুদ্ধাৰসহ আঞ্চলিক আৰু আন্তৰ্জাতিক নানা সমস্যাক লৈ আলোচনা কৰিছে।

শ্ৰী মোদীয়ে জনায় যে তেওঁ মিঃ জনছনক ভাৰতত স্বাগতম জনাবলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

**গ্লাছগো**

**নৱেম্বৰ 01, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.